জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৩৪/২০২২

# কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ সৈতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন

## তামুলপুৰত সীমান্ত সুৰক্ষা বাহিনীৰ কেন্দ্ৰীয় পণ্যাগাৰ আৰু গুদামঘৰৰ আধাৰশিলা স্থাপন কেন্দ্ৰীয় গৃহ মন্ত্ৰী শ্বাহৰ

## অনুপ্ৰৱেশ আৰু ড্ৰাগছৰ চোৰাং সৰবৰাহ ৰোধ কৰিবলৈ সীমান্ত সুৰক্ষা বাহিনীয়ে অবিৰতভাৱে কাম কৰি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ মে’ ঃ** আজি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ভাৰত-বাংলাদেশ সীমান্তৰ মানকাচৰত উপস্থিত হৈ সীমান্ত সুৰক্ষা বাহিনীৰ এটা নিৰীক্ষণ চকী পৰিদৰ্শন কৰে। ইয়াৰ উপৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰী শ্বাহে সীমান্ত সুৰক্ষা বাহিনীৰ মানকাচৰত থকা ৪৫ নং বেটেলিয়ানৰ এক সীমান্ত চকী পৰিদৰ্শন কৰাৰ লগতে বিষয়া-জোৱানসকলৰ সৈতে মত-বিনিময়ো কৰে। এই পৰিদৰ্শনৰ সময়ত সীমান্ত সুৰক্ষা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকলে কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীক সীমান্ত সুৰক্ষাৰ দিশত এই সীমান্ত চকীটোৱে লৈ অহা পদক্ষেপৰ বিষয়েও অৱগত কৰে। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো এই পৰিদৰ্শনৰ সময়ত উপস্থিত থাকে।

ইয়াৰ পিছতে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তামুলপুৰত উপস্থিত হৈ সীমান্ত সুৰক্ষা বাহিনীৰ কেন্দ্ৰীয় পণ্যাগাৰ আৰু গুদামঘৰ নিৰ্মাণৰ ভূমি পূজাত অংশ লোৱাৰ লগতে এই আন্তঃগাঁথনি নিৰ্মাণৰ আধাৰশিলা স্থাপ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও এই কাৰ্যসূচীত ভাগ লয়।

এই উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে সীমান্ত সুৰক্ষা বাহিনীৰ পণ্যাগাৰ আৰু গুদামৰ নিৰ্মাণৰ জৰিয়তে অস্ত্ৰাগাৰ নিৰ্মাণ আৰু মেৰামতি সম্ভৱ হৈ উঠাৰ লগতে

বিটিআৰৰ আৰ্থিক দিশতো সহায়ক হৈ উঠিব বুলি কয়। তেখেতে কয় যে প্ৰযুক্তিৰ ব্যৱহাৰৰ লগে লগে সীমান্তৰ অনুপ্ৰৱেশ আৰু ড্ৰাগছৰ চোৰাং সৰবৰাহ বন্ধ কৰাৰ ক্ষেত্ৰত সীমান্ত সুৰক্ষা বাহিনীয়ে অবিৰতভাৱে কাম কৰি আহিছে। আজি অনুষ্ঠানত উপস্থিত থাকি সকলোকে আশীৰ্বাদ কৰাৰ বাবে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰী অমিত শ্বাহক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। নিৰ্বাচনত তামুলপুৰ মহকুমাক এখন পূৰ্ণাংগ জিলালৈ ৰূপান্তৰিত কৰাৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰা বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে তামুলপুৰ বৰ্তমান এখন পূৰ্ণাংগ জিলালৈ পৰিণত হৈছে বুলি মন্তব্য কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে তামুলপুৰৰ বিভিন্ন দলঙৰ নিৰ্মাণকাৰ্য পূৰ্বৰ প্ৰতিশ্ৰুতি মতে আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। তদুপৰি পাগলাদীয়া নদীৰ ওপৰত দ্বিতীয়খন দলঙো অনতিপলমে নিৰ্মাণ হ'ব বুলি তেওঁ ভাষণত উল্লেখ কৰে। বি টি আৰৰ শান্তি চুক্তি মতে আজি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ সদিচ্ছাত বিভিন্ন উন্নয়নমূলক কাম-কাজ ৰূপায়িত হৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানতে ভাৰত চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যাগ আয়োগৰ দ্বাৰা অৰ্দ্ধসামৰিক বাহিনীৰ ১০৭ কেন্টিনৰ বাবে বিক্ৰী কেন্দ্ৰৰো শুভাৰম্ভ কৰা হয়।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহেও আজিৰ এই অনুষ্ঠানত ভাষণ প্ৰদান কৰে। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আদৰণী ভাষণ আগবঢ়োৱা এই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান পংকজ কুমাৰ সিঙে। আজিৰ এই অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, অশোক সিংহল, সাংসদ দিলীপ শইকীয়া, ৰণগৌৰা নাৰ্জাৰী, ভাৰত চৰকাৰৰ গৃহ সচিব অজয় কুমাৰ ভাল্লা, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত প্ৰমুখ্যে বিটিআৰৰ সদস্য, ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া, আৰক্ষী বিষয়া আৰু সীমান্ত সুৰক্ষা বাহিনীৰ জোৱান আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

সভাৰ অন্তত সীমান্ত সুৰক্ষা বাহিনীৰ দ্বাৰা প্ৰদৰ্শিত এক ফটো গেলেৰী আৰু অস্ত্ৰ-শস্ত্ৰ প্ৰদৰ্শনী অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ সৈতে উপস্থিত থাকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা।

**পুঃডেঃ / হেঃশঃ**
**০৯/০৫/২০২২**